# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 13-08-2025
**Time :** 0705 hrs

*Assamese Morning Bulletin*

## HEADLINES

০০০০০

১। অৰ্ধপৰিবাহী খণ্ডত ভাৰতে দ্ৰুত অগ্ৰগতি লাভ কৰাৰ লগতে ইয়াৰ ডিজিটেল ভৱিষ্যতক শক্তিশালী কৰিবলৈ আৰু বিশ্বব্যাপী উদ্ভাৱণক আগুৱাই নিবলৈ শক্তিশালী পৰিৱেশ তন্ত্ৰ গঢ়ি তুলিছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে।

২। নতুন দিল্লীত আজি ভাৰত-ছিংগাপুৰ মন্ত্ৰীসভাৰ তৃতীয়লানি ঘূৰণীয়া মেজমেল অনুষ্ঠিত হ'ব।

৩। দেশৰ বিভিন্ন প্ৰান্তৰ কৃষকসকলে বাণিজ্যিক চুক্তিৰ ক্ষেত্ৰত সাহসী সিদ্ধান্ত গ্ৰহণ কৰাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক ধন্যবাদ জ্ঞাপন কৰিছে।

৪। নতুন দিল্লীত কালি এন চি পিৰ এটা প্ৰতিনিধি দলে নিৰ্বাচন আয়োগৰ সৈতে মত বিনিময় কৰে।

*আৰু*

৫। সুব্ৰত কাপ আন্তঃ ৰাষ্ট্ৰীয় ফুটবল প্ৰতিযোগিতাৰ ৬৪ সংখ্যক সংস্কৰণ অহা ১৯ আগষ্টৰ পৰা দিল্লীত আৰম্ভ হ'ব।

০০০০০

অৰ্ধপৰিবাহী খণ্ডত ভাৰতে দ্ৰুত অগ্ৰগতি লাভ কৰাৰ লগতে ইয়াৰ ডিজিটেল ভৱিষ্যতক শক্তিশালী কৰিবলৈ আৰু বিশ্বব্যাপী উদ্ভাৱণক আগুৱাই নিবলৈ শক্তিশালী পৰিৱেশ তন্ত্ৰ গঢ়ি তুলিছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে। সামাজিক মাধ্যম যোগে দিয়া এটা বাৰ্তাত শ্ৰীমোদীয়ে কয়, কেন্দ্ৰীয় মন্ত্ৰী পৰিষদে অন্ধ্ৰপ্ৰদেশ, ওড়িশা আৰু পঞ্জাৱত অৰ্ধ পৰিবাহী গোটৰ অনুমোদন দিয়াৰ ফলত উৎপাদন ক্ষমতা বৃদ্ধি হ'ব, উচ্চ দক্ষতা সম্পন্ন নিয়োগৰ সৃষ্টি হ'ব আৰু ভাৰতক যোগান শৃংখলৰ মূল সিদ্ধান্তকাৰী হিচাপে স্থান দিব।

কেন্দ্ৰীয় মন্ত্ৰী পৰিষদে কালি ওড়িশা, পঞ্জাব আৰু অন্দ্ৰপ্ৰদেশত ৪ হাজাৰ ৫৯৪ কোটি টকাৰ আনুমানিক ব্যয়েৰে ৪টা নতুন অৰ্ধ পৰিবাহী গোটৰ বাবে অনুমোদন জনায়। তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কয়, যে প্ৰধানমন্ত্ৰী অধ্যক্ষতাত মন্ত্ৰী পৰিষদে এই সিদ্ধান্ত গ্ৰহণ কৰিছে।

শ্ৰীবৈষ্ণৱে কয়, যে চৰকাৰে উত্তৰ প্ৰদেশৰ লক্ষ্ণৌত মেট্ৰ' ৰে'ল প্ৰকল্পৰ ফেজ ওৱান বিত অনুমোদন জনাইছে। যাৰ আনুমানিক ব্যয় ৫ হাজাৰ ৮০১ কোটি টকাতকৈও অধিক। তেওঁ কয়, যে মুঠ ১২টা ষ্টেচন নিৰ্মাণ কৰা হ'ব আৰু ৫ বছৰত নিৰ্মাণ কাৰ্য সম্পূৰ্ণ হ'ব।

শ্ৰীবৈষ্ণৱে লগতে কয়, যে চৰকাৰে অৰুণাচল প্ৰদেশৰ চি য়ামি জিলাত নিৰ্মাণ হ'বলগীয়া ৭০০ মেগাৱাট ক্ষমতা সম্পন্ন টাটো টু জলবিদ্যুৎ প্ৰকল্পৰ বাবেও অনুমোদন জনাইছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জলবিদ্যুৎ প্ৰকল্পৰ বাবে চৰকাৰে অনুমোদন জনোৱাৰ বাবে অৰুণাচল প্ৰদেশৰ জনসাধাৰণক অভিনন্দন জনাইছে। শ্ৰীমোদীয়ে কয়, যে এই প্ৰকল্প অতি গুৰুত্বপূৰ্ণ আৰু এই প্ৰকল্পই ৰাজ্যখনৰ উন্নয়নত গতি প্ৰদান কৰিব।

oooooo

নতুন দিল্লীত আজি ভাৰত-ছিংগাপুৰ মন্ত্ৰীসভাৰ তৃতীয়লানি ঘূৰণীয়া মেজমেল অনুষ্ঠিত হ'ব। কেন্দ্ৰীয় মন্ত্ৰী ড° এছ জয়শংকৰ, নিৰ্মলা সীতাৰমণ, অশ্বিনী বৈষ্ণৱ আৰু পিয়ুষ গোৱেলে এই বৈঠকত অংশগ্ৰহণ কৰিব। বৈদেশিক মন্ত্ৰালয়ে জনাইছে যে, ছিংগাপুৰৰ উপ প্ৰধানমন্ত্ৰী গন কীম য়ং আৰু বিদেশমন্ত্ৰী যোছে ফাইন টিঅ'ও এই বৈঠকত অংশগ্ৰহণ কৰিব।

মন্ত্ৰী সভাৰ এই ঘূৰণীয়া মেজমেলত ভাৰত-ছিংগাপুৰ সহযোগিতাৰ বাবে নতুন কাৰ্যসূচী হিচাপে বিবেচিত হ'ব। ভাৰত-ছিংগাপুৰৰ মাজত এক বিস্তৃত কৌশলগত অংশীদাৰিত্ব আছে আৰু মন্ত্ৰীসভাৰ ঘূৰণীয়া মেজমেলে এই দ্বিপাক্ষিক সম্পৰ্ক আৰু অধিক বহল তথা গভীৰ কৰাৰ পথ চিনাক্ত কৰিব।

উল্লেখযোগ্য যে, ভাৰত-ছিংগাপুৰৰ মাজত ২০২২ চনৰ ছেপ্তেম্বৰ মাহত নতুন দিল্লীত ঘূৰণীয়া মেজমেলৰ উদ্বোধনী বৈঠক অনুষ্ঠিত হৈছিল।

oooooo

কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কয়, যে ভাৰত আৰু ছিংগাপুৰৰ মাজত শক্তিশালী তথা বহুমুখী সম্পৰ্ক আছে আৰু এই সংযোগ হৈছে সম্পৰ্ক অধিক সুদৃঢ় কৰাৰ মূল চাবি-কাঠি। মুম্বাইত কালি সেউজ আৰু ডিজিটেল মেৰিটাইম কৰিডৰ কাৰ্যসূচীৰ এটা ভিডিঅ' বাৰ্তাত শ্ৰীসোণোৱালে কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত ছিংগাপুৰৰ সৈতে ভাৰতৰ দ্বিপাক্ষিক সম্পৰ্ক বিভিন্ন খণ্ডলৈ সম্প্ৰসাৰিত হৈছে। তেওঁ লগতে কয়, যে ভাৰত-ছিংগাপুৰ গ্ৰীণ এণ্ড ডিজিটেল শ্বিপীং কৰিডৰে কম নিৰ্গমন প্ৰযুক্তিৰ গ্ৰহণ ত্বৰান্বিত

কৰিব, ডিজিটেল সঁজুলি শক্তিশালী কৰিব আৰু সামূদ্ৰিক কাৰ্যকলাপৰ ৰূপান্তৰ ঘটাব। মন্ত্ৰীগৰাকীয়ে যে, এই কৰিডৰসমূহ কেৱল বাণিজ্যিক পথ নহয় বৰঞ্চ, অৰ্থনৈতিক সেউজ আৰু ডিজিটেল পথ, যিয়ে বিশ্ব বাণিজ্য গতিশীলতাক পুনৰ নিৰূপণ কৰিব। ৬০ বছৰীয়া ভাৰত-ছিংগাপুৰ অংশীদাৰিত্বক প্ৰশংসা কৰি ছিংগাপুৰৰ উপ প্ৰধানমন্ত্ৰী গেন কিম য়ঙে উল্লেখ কৰে, যে নবীকৰণ যোগ্য শক্তি আৰু সামুদ্ৰিক উদ্ভাৱণৰ ক্ষেত্ৰত দুয়োখন দেশৰ মাজৰ সহযোগিতাই বহনক্ষম ভৱিষ্যতলৈ পৰিৱৰ্তন ত্বৰান্বিত কৰিব।

০০০০০০

দেশৰ বিভিন্ন প্ৰান্তৰ কৃষকসকলে বৈদেশিক চাপৰ পৰিপ্ৰেক্ষিতত‌ো বাণিজ্যিক চুক্তিৰ ক্ষেত্ৰত সাহসী সিদ্ধান্ত গ্ৰহণ কৰাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক ধন্যবাদ জ্ঞাপন কৰিছে। নতুন দিল্লীত কালি কৃষক সংগঠনৰ নেতা আৰু কৃষকৰ এটা বৃহৎ দলে কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিংহ চৌহানৰ সৈতে বৈঠকত মিলিত হৈ কৃষকৰ স্বাৰ্থ ৰক্ষাৰ বাবে চৰকাৰে লোৱা নিৰ্ণায়ক পদক্ষেপৰ প্ৰতি কৃতজ্ঞতা আৰু সমৰ্থন প্ৰকাশ কৰে। এই বৈঠকৰ সময়ত শ্ৰীচৌহানে কয়, যে চৰকাৰে শীঘ্ৰেই ভুৱা সাৰ আৰু ৰাসায়নিক পদাৰ্থ উৎপাদনকাৰীসকলৰ বিৰুদ্ধে নতুন আইন প্ৰণয়ন কৰিব। প্ৰধানমন্ত্ৰী ফচল বীমা যোজনাৰ অধীনত পৰহি কৃষকসকলক প্ৰদান কৰা বীমাৰ ধনৰ কথা উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয়, যে কৃষকৰ কল্যাণৰ বাবে বিভিন্ন আঁচনি অগ্ৰাধিকাৰ সাপেক্ষে আগুৱাই নিয়া হৈছে। কৃষকসকলৰ গুৰুত্বপূৰ্ণ ভূমিকাৰ ওপৰত আলোকপাত কৰি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয়, যে কৃষকসকলে কেৱল ভাৰতৰ বাবেই নহয়, বৰঞ্চ সমগ্ৰ বিশ্বৰ জনসাধাৰণৰ বাবে দিনে নিশাই কাম কৰে। কৃষকসকল যোগানকাৰী আৰু দাতা বুলি উল্লেখ কৰি শ্ৰীচৌহানে কয়, যে কৃষকৰ সেৱা হৈছে ঈশ্বৰৰ পূজা আৰু ইয়াতকৈ আৰু ডাঙৰ পূজা একো নাই।

০০০০০০

নতুন দিল্লীত কালি এন চি পিৰ এটা প্ৰতিনিধি দলে নিৰ্বাচন আয়োগৰ সৈতে মত বিনিময় কৰে। মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰ তথা নিৰ্বাচন আয়ুক্তদ্বয় ড° সুখবীৰ সিং সান্ধু আৰু ড° বিবেক যোশীয়ে এন চি পিৰ ৰাষ্ট্ৰীয় সাধাৰণ সম্পাদক ব্ৰীজমোহন শ্ৰীবাস্তৱৰ নেতৃত্বত যোৱা প্ৰতিনিধি দলটোৰ সৈতে মত-বিনিময় কৰে। উল্লেখযোগ্য যে, বিভিন্ন ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক ৰাজনৈতিক দলৰ সভাপতিসকলৰ সৈতে নিৰ্বাচন আয়োগৰ মত-বিনিময় কাৰ্যসূচীৰ অংশ হিচাপেই এই বৈঠক অনুষ্ঠিত হয়। বিগত ১৫০ দিনত মুঠ ৪ হাজাৰ ৭১৯ খন সৰ্বদলীয় বৈঠক অনুষ্ঠিত হয়, য'ত ৪০ খন বৈঠক মুখ্য নিৰ্বাচনী বিষয়াৰ দ্বাৰা, ৮০০ খন জিলা নিৰ্বাচনী বিষয়াৰ দ্বাৰা আৰু ৩

হাজাৰ ৮৭৯ খন বৈঠক নিৰ্বাচন পঞ্জীয়ন বিষয়াৰ দ্বাৰা অনুষ্ঠিত কৰা হয়। এই বৈঠকসমূহত বিভিন্ন ৰাজনৈতিক দলৰ ২৮ হাজাৰতকৈও অধিক প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰে।

০০০০০০

ছিকিমৰ মুখ্যমন্ত্ৰী প্ৰেম সিং তামাঙে কালি 'হৰ ঘৰ তিৰংগা' অভিযানৰ অংশ হিচাপে ৰাজ্য চৰকাৰে আয়োজন কৰা কাৰ্যসূচীৰ নেতৃত্ব দিয়ে। এই উপলক্ষে আয়োজিত সভাত ভাষণ দি মুখ্যমন্ত্ৰীয়ে ৰাজ্যপাল ওম প্ৰকাশ মাথুৰসহ সকলো অংশগ্ৰহণকাৰীক কৃতজ্ঞতা জ্ঞাপন কৰে। তেওঁ কয় যে দেশৰ 'আজাদী কা অমৃত মহোৎসৱ' আৰু ছিকিমৰ সোণালী জয়ন্তী উদযাপনৰ অংশ হিচাপে এই কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। 'হৰ ঘৰ তিৰংগা' কাৰ্যসূচীৰ লক্ষ্য হৈছে নাগৰিক আৰু ৰাষ্ট্ৰীয় পতাকাৰ মাজত আৱেগিক সম্পৰ্ক সুদৃঢ় কৰাৰ লগতে দেশপ্ৰেমক অধিক শক্তিশালী কৰা। তেওঁ কয় যে দেশৰ সংবিধানখনে অধিকাৰ আৰু কৰ্তব্যৰ কথা সোঁৱৰাই। তেওঁ জনসাধাৰণক ৰাষ্ট্ৰীয় দিৱসসমূহ গৌৰৱৰ ক্ষণ হিচাপে উদযাপন কৰিবলৈ আহ্বান জনায়।

০০০০০০

নিচাযুক্ত দ্ৰব্যৰ বিৰুদ্ধে অভিভাৱকসকলে সন্তানক বিশেষ গুৰুত্ব দিব লাগে। ত্ৰিপুৰা ৰাজ্যিক এইডছ নিয়ন্ত্ৰণ সমিতিৰ উদ্যোগত আগৰতলাৰ প্ৰজ্ঞা ভৱনত আন্তঃৰাষ্ট্ৰীয় যুৱ দিৱস উপলক্ষে আয়োজন কৰা ৰাজ্যিক পৰ্যায়ৰ কাৰ্যসূচীত ভাষণ দি ত্ৰিপুৰাৰ মুখ্যমন্ত্ৰী মাণিক সাহাই কালি এইদৰে প্ৰকাশ কৰে।

এইচ আই ভি তথা এইডছৰ বিৰুদ্ধে সজাগ হোৱাৰ লক্ষ্যৰে বিদ্যালয়- মহাবিদ্যায়ত ৰেড ৰিবন ক্লাব বৃদ্ধিতো মুখ্যমন্ত্ৰীগৰাকীয়ে গুৰুত্ব আৰোপ কৰে। সকলোৱে একেলগে কাম কৰিলে ত্ৰিপুৰাক এইচ আই ভি মুক্ত ৰাজ্য হিচাপে গঢ়ি তুলিব পৰা যাব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। তেওঁ কয় যে, ত্ৰিপুৰাকে ধৰি উত্তৰ-পূবত এইচ আই ভিৰ সংক্ৰমণ উদ্বেগজনক। এইচ আই ভি আক্ৰান্তৰ ক্ষেত্ৰত বৰ্তমান উত্তৰ-পূৰ্বাঞ্চলৰ আঠখন ৰাজ্যৰ ভিতৰত ত্ৰিপুৰা চতুৰ্থ স্থানত আছে আৰু এয়া চিন্তাৰ বিষয় বুলিও তেওঁ মন্তব্য কৰে।

০০০০০০

সুব্ৰত কাপ আন্তঃ ৰাষ্ট্ৰীয় ফুটবল প্ৰতিযোগিতাৰ ৬৪ সংখ্যক সংস্কৰণ ১০৬ টা দলেৰে তিনিটা শাখাত অনুষ্ঠিত হ'ব। এই তিনিটা শাখা হৈছে- ১৭ বছৰ অনুৰ্ধ লৰা, ১৭ বছৰ অনুৰ্ধ ছোৱালী আৰু চাব-জুনিয়ৰ। ১৯ আগষ্টৰ পৰা ২৫ ছেপ্টেম্বৰলৈ দিল্লী-এন চি আৰ আৰু বেংগালুৰুত এই প্ৰতিযোগিতা অনুষ্ঠিত হ'ব।

অহা ১৯ আগষ্টৰ পৰা দিল্লী-এনচিআৰত ১৭ বছৰ অনুৰ্ধ শাখাৰে প্ৰতিযোগিতা আৰম্ভ হ'ব। ২ ছেপ্টেম্বৰৰ পৰা বেংগালুৰুত ছাব-জুনিয়ৰ শাখাৰ মেচ অনুষ্ঠিত হোৱাৰ লগতে ১৬ ছেপ্টেম্বৰৰ পৰা দিল্লী-এনচিআৰত প্ৰতিযোগিতাখনৰ ১৭ বছৰ অনুৰ্ধ লৰা শাখাৰ খেল অনুষ্ঠিত হ'ব।

০০০০০০

**সমাপ্ত**